**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-03-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। বৰাক উপত্যকাত অসম সাহিত্য সভাৰ অধিবেশন আয়োজন কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰস্তাৱ। শিলচৰত ২০০খন বিছনাযুক্ত নতুন চিকিৎসালয় ভৱন নিৰ্মাণৰ পৰিকল্পনা।

২। ৰে'ল মন্ত্ৰালয় সম্পৰ্কীয় বিতৰ্কত সদনত অসমৰ সাংসদ অজিত ভূঞা আৰু দিলীপ শইকীয়াৰ অংশগ্ৰহণ।

৩। সদৌ অসম ছাত্ৰ সন্থা আৰু অসম উন্নতি সভাৰ আহ্বান মৰ্মে ৰাজ্যৰ বিভিন্ন জিলাত আজি মাদক দ্ৰব্য বিৰোধী সজাগতা কাৰ্যসূচী।

৪। শুৱালকুছিৰ বস্ত্ৰশিল্পৰ উন্নয়নৰ বাবে চৰকাৰৰ ৩১ কোটি টকা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি।

আৰু

৫। বিগত ৯ মাহ ধৰি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ থকা মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বাট্‌ছ উইলম'ৰৰ পৃথিৱীলৈ প্ৰত্যাৱৰ্তন যাত্ৰা।

ooooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰৰ এছ এন দেৱ অসামৰিক চিকিৎসালয়ত নতুন ক্ৰিটিকেল কেয়াৰ ভৱনৰ আধাৰশিলা স্থাপন কৰে। চিকিৎসালয়খনৰ ছহেজাৰ ৩৩৫ বৰ্গমিটাৰ এলেকা সামৰি ২৪ কোটি টকা ব্যয়সাপেক্ষে এই ৫০খন বিছনাযুক্ত ক্ৰিটিকেল কেয়াৰ ভৱনটো নিৰ্মাণ কৰা হ'ব। এই ভৱনত অস্ত্ৰোপচাৰ কক্ষ, ডায়েলেছিছ কক্ষ, শিশু চিকিৎসা কক্ষকে ধৰি উন্নত মানৰ সকলো সা-সুবিধা থাকিব। মুখ্যমন্ত্ৰীয়ে এই ভৱনৰ আধাৰশিলা স্থাপন কৰি শিলচৰত ২০০খন বিছনাযুক্ত নতুন চিকিৎসালয় ভৱন নিৰ্মাণৰ পৰিকল্পনাৰ কথা জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ২৬ কোটি টকা ব্যয়সাপেক্ষে শিলচৰৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ উপৰি ৩২টা কোঠাৰে নতুন আৱৰ্ত্ত ভৱনৰ আধাৰশিলাও স্থাপন কৰে। ড০ শৰ্মাই যান-জঁটৰ সমস্যা লাঘৱ কৰিবলৈ শিলচৰত এখন উৰণ সেঁতু নিৰ্মাণ কৰা হ'ব বুলি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে শিলচৰৰ দেশভক্ত তৰুণৰাম ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁ বিদ্যালয়খনৰ বৰ্তমান আৰু পূৰ্বৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীকে ধৰি অঞ্চলটোৰ বিদ্যানুৰাগী লোকসকলক অভিনন্দন জনোৱাৰ লগতে দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। ড০ শৰ্মাই তেওঁৰ ভাষণত কয় যে সাম্প্ৰতিক অৰ্থনীতিত দক্ষ যুৱ শক্তিৰ গুৰুত্বৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে আৰম্ভণিৰে পৰা পৰিৱৰ্তিত ঔদ্যোগিক পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ দক্ষতা বিকাশ আৰু প্ৰশিক্ষণ প্ৰদানৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰি আহিছে। ডিজিটেল প্ৰযুক্তিৰ গুৰুত্বৰ কথা উল্লেখ কৰি তেওঁ কৃত্ৰিম বুদ্ধিমত্তা, ঔদ্যোগিক ইণ্টাৰনেট, থ্ৰী-ডি প্ৰিণ্টিং, বৈদ্যুতিক বাহনৰ প্ৰযুক্তি আদি পাঠ্যক্ৰমৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক যোগ্য কৰি তোলা হ'ব বুলি উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যদা লাভ কৰাৰ পাছত অসমীয়া আৰু বাংলা ভাষা-ভাষী লোকৰ মাজৰ বান্ধোন অধিক শক্তিশালী হৈ উঠিছে।

এই সমন্বয়ৰ পৰিবেশক সুদৃঢ় ৰূপত আগবঢ়াই নিয়াৰ বাবে তেওঁ বৰাক উপত্যকাত অসম সাহিত্য সভাৰ অধিবেশন আয়োজন কৰাৰ বাবে উদ্যোগ ল'বলৈ বৰাকৰ জনসাধাৰণক আহ্বান জনায়।

বাইট

ড০ শৰ্মাই আজি শিলচৰৰ ৰামকৃষ্ণ মিছন সেৱাশ্ৰমৰ শতবাৰ্ষিকী উদযাপন কাৰ্যসূচীত অংশ লৈ শ্ৰীৰামকৃষ্ণ পৰমহংস দেৱৰ নৱনিৰ্মিত সাৰ্বজনীন মন্দিৰ উদ্বোধন কৰে। ৰাজ্য চৰকাৰে ৰামকৃষ্ণ মিছন সেৱাশ্ৰম চিকিৎসালয়ৰ অংশ মা সাৰদা চেৰিটেবল ডিচ্‌পেন্সৰীক ৫ কোটি টকা প্ৰদান কৰাৰ উপৰি ৰামকৃষ্ণ পৰমহংসৰ মন্দিৰ নিৰ্মাণৰ বাবে বকেয়া ঋণ নিস্পত্তি কৰিবলৈ ৪ কোটি টকা আৱণ্টন দিব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। মুখ্যমন্ত্ৰী শৰ্মাক আজি বিভিন্ন কাৰ্যসূচীত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, শিলচৰ লোকসভা সমষ্টিৰ সাংসদ পৰিমল শুক্লবৈদ্য, বিধায়ক দিপায়ন চক্ৰৱৰ্ত্তী আৰু লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে সংগ দিয়ে।

০০০০০০০

ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাই অসমত ৰে'ল বিভাগৰ কাম-কাজ আশানুৰূপ হোৱা নাই বুলি ৰে'ল বিভাগৰ সমালোচনা কৰিছে। কালি ৰাজ্যসভাত ৰে'ল মন্ত্ৰণালয় সম্পৰ্কীয় বিতৰ্কত ভাগ লৈ সাংসদ ভূঞাই কয়, যে গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ প্ৰায় ৫০০ কিলোমিটাৰ দূৰত্ব অতিক্ৰম কৰিবলৈ আনকি এক্সপ্ৰেছ শ্ৰেণীৰ ৰে'লগাড়ীৰো ১২ ঘণ্টা সময় লাগে। তেওঁ কয়, যে অসমত ৰে'লপথৰ বৈদ্যুতিকীকৰণৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। তদুপৰি অসমত দ্বৈত ৰে'লপথৰ নিৰ্মাণৰ ক্ষেত্ৰতো ৰে'ল মন্ত্ৰণালয়ে নিৰ্ধাৰিত সময় অনুসৰি কাম কৰিব পৰা নাই। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তুলনাত বহু নতুন ৰে'ল মণ্ডলক অধিক গুৰুত্ব দিয়া আৰু এন এফ ৰে'লৱেক মাহী আইৰ দৃষ্টিৰে চোৱা হয় বুলিও সাংসদগৰাকীয়ে অভিযোগ কৰে।

০০০০০০০

অসম প্ৰদেশ বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াই ক'ভিডৰ সময়ছোৱাত প্ৰত্যাহাৰ কৰা ৰে'ল ষ্টেচনসমূহত পুনৰ ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে। লোকসভাত ৰে'ল মন্ত্ৰণালয় সম্পৰ্কত হোৱা বিতৰ্কত অংশগ্ৰহণ কৰি শইকীয়াই কয়, যে খৈৰাবাৰী, গোৰেশ্বৰ, টংলা, ওদালগুৰি আৰু ডেকাৰগাঁও আদি ষ্টেচনত পূৰ্বে ৰখোৱা ভালেকেইখন ৰে'লগাড়ী ক'ভিড কালত এই ষ্টেচনসমূহত নৰখোৱাৰ সিদ্ধান্ত লোৱা হৈছিল। ৰে'লযাত্ৰীসকলৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই এইসমূহ ষ্টেচনত পুনৰ ৰে'লগাড়ী ৰখোৱাৰ ব্যৱস্থা কৰিব লাগে বুলি তেওঁ মত প্ৰকাশ কৰে। গুৱাহাটীৰ পৰা ৰঙিয়া আৰু ওদালগুৰি হৈ ডিব্ৰুগড়লৈ বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ী প্ৰৱৰ্তন কৰিবলৈ আৰু গুৱাহাটী আৰু ওড়িশাৰ জগদলপুৰৰ মাজত নতুন ৰে'লগাড়ী প্ৰৱৰ্তন কৰিবলৈ সাংসদগৰাকীয়ে আহ্বান জনায়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত গুৱাহাটী আৰু দিল্লীৰ মাজত আৰু মহাপুৰুষ মাধৱদেৱৰ নামত গুৱাহাটী আৰু চেন্নাইৰ মাজত চলাচল কৰা ৰে'লগাড়ীৰ নামকৰণ কৰিবলৈকো দৰং-ওদালগুৰিৰ সাংসদগৰাকীয়ে আহ্বান জনায়।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে অষ্টম দৰমহা আয়োগ গঠনৰ বিষয়ে সিদ্ধান্ত লৈছে যদিও এই সম্পৰ্কত এতিয়াও অধিসূচনা জাৰি কৰা নাই। হিমাচল প্ৰদেশৰ মণ্ডিৰ সাংসদ কংগনা ৰাণাৱটে উত্থাপন কৰা এটা প্ৰশ্নৰ লিখিত

উত্তৰত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি লোকসভাত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই সম্পৰ্কত আনুষ্ঠানিক অধিসূচনা যথাসময়ত প্ৰকাশ কৰা হ'ব। বিত্তমন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান দেশত প্ৰায় ৩৬ লাখ ৫৭ হাজাৰ চৰকাৰী কৰ্মচাৰী আছে আৰু ৩৩ লাখ ৯১ হাজাৰ পেঞ্চনভোগী আৰু পৰিয়াল পেঞ্চনভোগী আছে। অষ্টম দৰমহা আয়োগৰ পৰামৰ্শাৱলী ৰূপায়ণ কৰিবলৈ ৰাজকোষৰ পৰা কিমান টকা ব্যয় হ'ব সেই সম্পৰ্কে সোধা প্ৰশ্নৰ উত্তৰত বিত্তমন্ত্ৰীয়ে কয়, যে এই বিষয়ে এতিয়াই কোনো কথা ক'ব পৰা নাযায়। অষ্টম কেন্দ্ৰীয় দৰমহা আয়োগে দিয়া পৰামৰ্শাৱলী চৰকাৰে গ্ৰহণ কৰাৰ পাছতহে এইক্ষেত্ৰত ৰাজকোষৰ পৰা হ'বলগীয়া অতিৰিক্ত ব্যয়ৰ বিষয়ে জনা যাব। শ্ৰীমতী সীতাৰমনে সদনক লগতে জনায়, যে দৰমহা আয়োগ গঠনৰ নিয়মাৱলী প্ৰস্তুতি সম্পৰ্কত প্ৰতিৰক্ষা মন্ত্ৰণালয়, গৃহ মন্ত্ৰণালয়, কৰ্মচাৰী আৰু প্ৰশিক্ষণ মন্ত্ৰণালয় আৰু ৰাজ্য চৰকাৰসমূহৰ পৰা তথ্য বিচৰা হৈছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাত আজি সদৌ অসম ছাত্ৰ সন্থা আৰু অসম উন্নতি সভাৰ আহ্বান মৰ্মে মাদক দ্ৰব্য বিৰোধী সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাজ্যখনত মাদকদ্ৰব্য মুক্ত কৰাৰ লক্ষ্যৰে আজি **ধেমাজি** নগৰত এটা সজাগতা সমদল উলিয়াই মাদক দ্ৰব্যৰ ভয়াৱহতা সম্পৰ্কত সজাগ কৰি তোলাৰ প্ৰয়াস কৰা হয়। **শিৱসাগৰ** জিলাতো আজি জিলা ছাত্ৰ সন্থাৰ উদ্যোগত ছাত্ৰ সন্থাৰ জিলা কাৰ্যালয়ৰ পৰা সমদল উলিওৱা হয়। সমদলত অংশগ্ৰহণকাৰীসকলে চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক মাদক দ্ৰব্যৰ প্ৰচলনৰ বিৰুদ্ধে কঠোৰ স্থিতি লোৱাৰ দাবী জনায়। **তিনিচুকীয়া** নগৰত আজি ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ পৰা থানা চাৰিআলিলৈকে উলিওৱা মাদকদ্ৰব্য বিৰোধী সমদলত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে। **ডিব্ৰুগড়** আৰু **ধেমাজি জিলা**তো আজি মাদক দ্ৰব্যৰ প্ৰচলন বন্ধ কৰাৰ দাবীৰে ভালেসংখ্যক লোকে সমদল উলিয়ায়। সদৌ **হোজাই জিলা** ছাত্ৰ সন্থা আৰু অসম সেনা তথা অসম উন্নতি সভাৰ উদ্যোগত জিলাখনত আজি মাদকদ্ৰব্য বিৰোধী সজাগতা সৃষ্টিৰ উদ্দেশ্যে এখন বাটৰ নাট পৰিৱেশন কৰা হয়।

**কামৰূপ মহানগৰ জিলা** ছাত্ৰ সন্থা, কামৰূপ মহানগৰ জিলা উন্নতি সভা আৰু অসম সেনাৰ কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত উজান বজাৰৰ ছহিদ ন্যাস ভৱনৰ পৰা এটা সজাগতা সমদল উলিওৱা হয়। এই সমদলত অসম উন্নতি সভাৰ সভাপতি ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য আৰু সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই অংশ লৈ অসমলৈ ড্ৰাগছ সৰবৰাহৰ উৎস নিৰ্মূল কৰিব লাগিব বুলি মন্তব্য কৰে। **দক্ষিণ শালমাৰা মানকাচৰ জিলা**ৰ হাটশিঙিমাৰীত আজি সদৌ অসম ছাত্ৰ সন্থাই মাদক দ্ৰব্য বিৰোধী সজাগতা সমদল উলিয়ায়। হাটশিঙিমাৰী মহাবিদ্যালয়ৰ পৰা উলিওৱা এই সমদলত কেইবাখনো বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। **গোৱালপাৰা জিলা**তো আজি মাদকদ্ৰব্য বিৰোধী সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। এই উপলক্ষে গোৱালপাৰা মহাবিদ্যালয় খেল-পথাৰৰ পৰা সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। **বৰপেটা** আৰু **তামুলপুৰ জিলা**তো আজি এই উপলক্ষে কাৰ্যসূচী অনুষ্ঠিত হয়। **বজালী জিলা**ৰ সদৰ পাঠশালাতো আজি মাদকদ্ৰব্য বিৰোধী সজাগতা সমদল উলিওৱা হয়।

০০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত মাজুলী আৰু যোৰহাট সংযোগী দুটা লেনযুক্ত দলং নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰ্যালয়ে সংশোধিত আনুমানিক ব্যয়ত অনুমোদন জনাইছে। এই অনুসৰি দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে এহেজাৰ ১৯ কোটি ১৬ লাখ ৫৫ হাজাৰ ১৫ টকাৰ সংশোধিত ব্যয় নিৰ্ধাৰণ কৰা হৈছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্য চৰকাৰে শুৱালকুছিৰ বস্ত্ৰশিল্পৰ উন্নয়নৰ বাবে ৩১ কোটি টকা আগবঢ়াব বুলি হস্ততাঁত আৰু বস্ত্ৰশিল্প মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই প্ৰকাশ কৰিছে। শুৱালকুছিৰ বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত আৰু শ্বিলঙৰ উত্তৰ-পূব ভাৰত সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ সহযোগত উত্তৰ পূৰ্বাঞ্চলৰ বস্ত্ৰ শিল্পকে ধৰি ভাৰতৰ ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগৰ সমস্যা আৰু সম্ভাৱনা শীৰ্ষক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰত অংশ লৈ মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। আলোচনাচক্ৰত অংশগ্ৰহণকাৰী গৱেষকসকলৰ উপৰি অনলাইন মাধ্যমেৰে দেশ-বিদেশৰ কেইবাগৰাকীও গৱেষকে মুঠ ৩০খন গৱেষণাপত্ৰ পাঠ কৰে।

০০০০০০০

তিনিচুকীয়া জিলাত যোৱানিশা অহা এজাক ধুমুহাই ফিল'বাৰী অঞ্চলৰ কেইবাখনো গাঁৱৰ লগতে জিলাখনৰ আন কেইবাটাও স্থানত বিস্তৰ ক্ষতি কৰে। ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত গাভৰুভেটি আৰু ফিল'বাৰীৰ গৌৰীপুৰ, ৰংপুৰ, মগমবস্তিকে ধৰি কেইবাখনো গাঁৱত গছ-গছনি, বিদ্যুতৰ খুঁটা আদি উভালি পৰে। ধুমুহাৰ ফলত কেইবাটাও বাসগৃহৰো ক্ষতি হয়। জিলাখনৰ আজাদ ৰোড, কলিয়াপানী, বিছাকুপি, কৰ্দৈগুৰি, বাৰেকুৰিকে ধৰি কেইবাটাও এলেকাত ধুমুহাই ক্ষতি কৰে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ডিব্ৰুগড় জিলাৰ লাহোৱাল বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰহমৰীয়াৰ বিস্তীৰ্ণ অঞ্চলত যোৱানিশা ধুমুহাৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই আজি অঞ্চলসমূহ পৰিদৰ্শন কৰে। তেওঁ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ সদস্যক সাক্ষাৎ কৰি বিভাগীয়ভাৱে তেওঁলোকক সহায় কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে যোৱা নিশা হোৱা এই ধুমুহাৰ ফলত অঞ্চলটোৰ কেইবাটাও পৰিয়ালৰ বাসগৃহ সম্পূৰ্ণৰূপে ধবংস হোৱাৰ লগতে বিদ্যুৎ পৰিবাহী তাঁৰ ছিগি যোৱাত বিদ্যুৎ যোগানো ব্যাহত হৈছিল।

০০০০০০০

বিগত ৯ মাহ ধৰি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত আবদ্ধ হৈ থকা মহাকাশচাৰী সুনীতা উইলিয়ামছ আৰু বাট্‌ছ উইলম'ৰ পৃথিৱী অভিমুখে আহি আছে। নাছাই প্ৰকাশ কৰা তথ্য অনুসৰি স্পেচএক্সৰ ড্ৰেগন মহাকাশযানেৰে মহাকাশচাৰী দুগৰাকী ভাৰতীয় সময় অনুসৰি আজি দিনৰ ১০ বাজি ৩৫ মিনিটত আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰৰ পৰা পৃথিৱী অভিমুখে যাত্ৰা কৰিছে। প্ৰায় ১৭ ঘণ্টা যাত্ৰাৰ অন্তত তেওঁলোক কাইলৈ পুৱতি নিশা ৩ বাজি ২৭ মিনিটত পৃথিৱীত অৱতৰণ কৰিব বুলি নাছাৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বয়িং ষ্টাৰলাইনাৰ মহাকাশযানৰ কাৰিকৰী বিজুতিৰ বাবে বিগত বৰ্ষৰ জুনৰ পৰাই মহাকাশচাৰী দুগৰাকী আন্তঃৰাষ্ট্ৰীয় মকাকাশ কেন্দ্ৰত আৱদ্ধ হৈ আছিল।

০০০০০০০

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে নিয়োগ কৰা মাণ্ডলিক বিষয়া আৰু ছেক্টৰ বিষয়াসকলৰ সৈতে আজি গোৱালপাৰা জিলা প্ৰশাসনৰ এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত তথা ৰিটাৰ্নিং বিষয়া খনীন্দ্ৰ চৌধুৰীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকখনত বিষয়াসকলৰ পৰা ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ বিষয়ে বুজ লোৱা হয়। এই বৈঠকত নিৰ্বাচনৰ বাবে অহা পৰ্যবেক্ষক ৰঞ্জিত কুমাৰ লস্কৰ আৰু ত্ৰিপুৰেন্দ্ৰ পাটৰ উপস্থিত থাকে। উল্লেখযোগ্য যে এই নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ কালি পৰীক্ষা কৰি বৈধ মনোনয়ন পত্ৰৰ তালিকা প্ৰকাশ কৰা হয়। কামৰূপ জিলাৰ ১৬ টা পৰিষদীয় সমষ্টিৰ বাবে মুঠ ৫২ গৰাকী প্ৰাৰ্থীয়ে দাখিল কৰা আটাইকেইখন মনোনয়ন বৈধ হিচাপে বিবেচিত হয়।

প্ৰাৰ্থীসকলে কাইলৈ বিয়লি ৩ বজালৈকে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। কাইলৈ নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ হ'ব আৰু ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

বিশিষ্ট সাহিত্যিক, অসম সাহিত্য সভাৰ আজীৱন সদস্য ভৱানী প্ৰসাদ অধিকাৰীৰ আজি দেহাৱসান ঘটিছে। পাণ্ডু মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক তথা সমালোচক অধিকাৰীয়ে ভাষা আৰু ভাষা তত্বকে ধৰি গৱেষণাধৰ্মী আৰু সমালোচনাত্মক লেখাৰে অসমীয়া সাহিত্যক চহকী কৰি থৈ গৈছে। ছুটিগল্প, কবিতা, গীত আৰু নাট্য চৰ্চাৰেও বৰঙণি আগবঢ়োৱা অধিকাৰীয়ে কেইবাখনো গ্ৰন্থ প্ৰণয়ন আৰু সম্পাদনাও কৰি গৈছে। ১৯৪৩ চনত নলবাৰী জিলাৰ টিহুৰ মাখিবাহা গাঁৱত জন্মগ্ৰহণ কৰা অধিকাৰীয়ে স্কুলীয়া দিনৰেপৰা নিৰৱচ্ছিন্নভাৱে সাহিত্য চৰ্চা কৰি আহিছিল। ২০২১ চনত তেওঁলৈ অসম সত্ৰ মহাসভাৰ সাহিত্য বঁটা আগবঢ়োৱা হৈছিল। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অধিকাৰীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰি তেওঁৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱেও সাহিত্যিকগৰাকীৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

০০০০০০০

**সমাপ্ত**